**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ১৯৭৫ চনত দেশত জৰুৰী অৱস্থা ঘোষণাৰ ৫০ বছৰ পূৰ্ণ হোৱা দিনটো আজি দেশত সংবিধান হত্যা দিৱস হিচাপে পালন কৰা হৈছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে জৰুৰী অৱস্থাক ক্ষমতালোভী কংগ্ৰেছৰ অন্যায়ৰ এটা যুগ বুলি অভিহিত কৰিছে।

৩। ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লাক মহাকাশলৈ কঢ়িয়াই নিয়া এক্সিঅম-৪ অভিযান আজি আমেৰিকাৰ কেনেডি মহাকাশ কেন্দ্ৰৰ পৰা উৎক্ষেপন কৰা হয়।

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি চীনত অনুষ্ঠিত ছাংহাই সহযোগিতা সংস্থাৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত ভাগ ল'বলগীয়া উচ্চ পৰ্যায়ৰ ভাৰতীয় প্ৰতিনিধি দলটোক নেতৃত্ব দিব।

আৰু

৫। চলিত বৰ্ষৰ কৈলাস মানসৰোবৰ যাত্ৰাৰ দ্বিতীয়টো দলে আজি পুৱা নাথুলা সীমান্ত সফলতাৰে অতিক্ৰম কৰে।

০০০০০০০

১৯৭৫ চনত দেশত জৰুৰী অৱস্থা ঘোষণাৰ ৫০ বছৰ পূৰ্ণ হোৱা দিনটো আজি দেশত সংবিধান হত্যা দিৱস হিচাপে পালন কৰা হৈছে। সেই সময়ত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰী অৱস্থা ঘোষণা কৰি সমগ্ৰ দেশতে ৰাজনৈতিক দলৰ নেতা-কৰ্মী, সাংবাদিক, শ্ৰমিক-সংগঠনৰ নেতাকে ধৰি প্ৰায় ডেৰ লাখ লোকক কাৰাৰুদ্ধ কৰিছিল আৰু সংবাদ মাধ্যমৰ স্বাধীনতা বিলুপ্ত কৰিছিল। ভাৰতীয় জনতা পাৰ্টী আৰু ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘকে ধৰি ভালেমান সংগঠনে আজি অসমতো সংবিধান হত্যা দিৱসৰ আয়োজন কৰিছে। এই দিৱসত দেশৰ সাংবিধানিক পৰম্পৰা আৰু বাক স্বাধীনতা যাতে কোনোপধ্যেই খৰ্ব নহয়, সেইক্ষেত্ৰত কাম কৰি যাবলৈ সকলো সংকল্পবদ্ধ হ'ব।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে জৰুৰী অৱস্থাক ক্ষমতালোভী কংগ্ৰেছৰ অন্যায়ৰ এটা যুগ বুলি অভিহিত কৰিছে। সংবিধান হত্যা দিৱস উপলক্ষে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে জৰুৰীকালীন অৱস্থা ৰাষ্ট্ৰীয় প্ৰয়োজনীয়তা নাছিল, বৰং কংগ্ৰেছ আৰু এগৰাকী ব্যক্তিৰ গণতন্ত্ৰ বিৰোধী মানসিকতাৰহে প্ৰতিফলন আছিল। তেওঁ কয়, যে জৰুৰী অৱস্থাৰ সময়ত সংবাদ মাধ্যমৰ স্বাধীনতা কাঢ়ি নিয়া হৈছিল, ন্যায়পালিকাৰ হাত বান্ধি দিয়া হৈছিল আৰু সামাজিক কৰ্মীসকলক কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছিল। ক্ষমতা একনায়কত্বত পৰিণত হ'লে ইয়াক উৎখাত কৰাৰ শক্তি যে জনসাধাৰণৰ থাকে, সেয়া সংবিধান হত্যা দিৱসৰ দিনটোৱে সোঁৱৰাই দিয়ে বুলি শ্ৰী শ্বাহে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে এই সংগ্ৰামত প্ৰাণ আহুতি দিয়া লোকসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

ইপিনে, সংবিধান হত্যা দিৱস উপলক্ষে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই ৫০ বছৰ পূৰ্বে জৰুৰী অৱস্থা ঘোষণা কৰাৰ একেই একনায়কত্ববাদী মানসিকতা কংগ্ৰেছ দলত আজিও বিদ্যমান বুলি প্ৰকাশ কৰিছে। শ্ৰী নাড্ডাই সামাজিক মাধ্যমযোগে কংগ্ৰেছশাসিত ৰাজ্যসমূহৰ আইন-শৃংখলা পৰিস্থিতিত জৰুৰীকালীন অৱস্থাৰ দৰে হৈ আছে বুলি দাবী কৰিছে। তেওঁ কয়, যে ৰাহুল গান্ধী আৰু কংগ্ৰেছে বিভিন্ন সময়ত সংবিধানৰ উদাহৰণ দিয়ে যদিও বিৰোধী দলটোৱে এতিয়ালৈকে জৰুৰীকালীন অৱস্থাৰ বাবে ক্ষমা বিচৰা নাই। বিজেপিৰ সভাপতিগৰাকীয়ে কয়, যে ১৯৭৫ চনৰ জুনৰ পৰা ১৯৭৭ চনৰ মাৰ্চলৈকে জৰুৰীকালীন অৱস্থাৰ ২১ মাহত বিৰোধী পক্ষৰ নেতাসকলক কাৰাৰুদ্ধ কৰা হৈছিল, সংবাদ মাধ্যম আৰু নাগৰিকসকলৰ স্বাধীনতা খৰ্ব কৰা হৈছিল।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফ্লৰিডাৰ কেনেডি মহাকাশ কেন্দ্ৰৰ পৰা আজি AXIOM-4 অভিযান আৰম্ভ কৰা হৈছে। ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লাসহ কেইবাগৰাকীও মহাকাশচাৰীক কঢ়িয়াই স্পেছ এক্স ড্ৰেগন স্পেচ ক্ৰাফ্‌ট আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ অভিমুখে ৰাওনা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কমাণ্ডাৰ পেগি উইটচনে এই অভিযানৰ নেতৃত্ব দিছে। ভাৰতীয় বায়ুসেনাৰ গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লা এই অভিযানৰ পাইলট হোৱাৰ লগতে হাংগেৰীৰ তিব'ৰ কাপু আৰু প'লেণ্ডৰ স্লাউজ উজনানস্কি ৱিচনিউস্কি হৈছে এই অভিযানৰ বিশেষজ্ঞ। উল্লেখযোগ্য যে ১৯৮৪ চনত ছোভিয়েট অভিযানৰ অংশ হিচাপে ভাৰতীয় মহাকাশচাৰী ৰাকেশ শৰ্মাই মহাকাশ যাত্ৰা কৰাৰ চাৰি দশক পাছত কেপ্তেইন শুক্লা হৈছে মহাকাশলৈ যোৱা দ্বিতীয়গৰাকী ভাৰতীয়। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ইছৰ'ৱে প্ৰকাশ কৰিছে যে ভাৰতীয় সময় অনুসৰি কাইলৈ বিয়লি চাৰে চাৰি বজাত AXIOM-4 আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত উপস্থিত হ'ব। তাৰপাছত মহাকাশচাৰীসকলে মহাকাশ কেন্দ্ৰত দুসপ্তাহ কটোৱাৰ লগতে বিভিন্ন পৰীক্ষা সম্পন্ন কৰিব। মহাকাশচাৰীসকলে ইছৰ'ৰ কেইবাটাও গৱেষণা প্ৰকল্পৰ লগতে ৩১ খন দেশৰ পৰা প্ৰায় ৬০ টা বৈজ্ঞানিক অধ্যয়ন সম্পন্ন কৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে কেপ্তেইন শুভাংশু শুক্লাই মহাকাশত ভাৰতৰ বাবে নতুন মাইলৰ খুটি সৃষ্টি কৰিছে। সমগ্ৰ দেশ আজি এগৰাকী ভাৰতীয়ৰ এই মহাকাশ যাত্ৰাক লৈ উৎফুল্লিত হৈ উঠাৰ লগতে গৌৰৱান্বিত হৈছে। তেওঁ অভিযানৰ সফলতাৰ কামনা কৰাৰ লগতে কয়, যে মহাকাশচাৰীসকলৰ অধ্যয়নৰ জৰিয়তে মহাকাশ খণ্ডত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি হ'ব।

মহাকাশ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে শুভাংশু শুক্লাক অভিনন্দন জ্ঞাপন কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ড° সিঙে কয়, যে এয়া ভাৰতৰ বাবে অতি গৌৰৱৰ মুহূৰ্ত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে সূচনা কৰা বিভিন্ন সংস্কাৰৰ জৰিয়তে ত্বৰান্বিত হোৱা ইছৰ'ৰ আন্তৰ্জাতিক পদক্ষেপসমূহৰ জৰিয়তে মহাকাশ অন্বেষণ খণ্ডত ভাৰত এখন আগশাৰীৰ দেশ হিচাপে পৰিগণিত হৈছে।

ooooooooo

AXIOM 4 অভিযানৰ গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই অভিযান কালত মাধ্যাকৰ্ষণ সম্পৰ্কীয় বিশেষ সাতটা পৰীক্ষণ অংশগ্ৰহণ কৰিব বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে সদৰি কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে বিভিন্ন কাৰণত কেইবাবাৰো পিছুৱাই দিয়াৰ অন্তত আজি এই অভিযান আৰম্ভ হৈছে। প্ৰতিকূল বতৰ, কাৰিকৰী বিসংগতি তথা ফেলকন নাইন ৰকেটত ছিদ্ৰ ধৰা পৰাকে ধৰি বিভিন্ন পৰিস্থিতিৰ বাবে পূৰ্বে এই অভিযান কেইবাবাৰো পিছুৱাই দিয়া হৈছিল। পৰৱৰ্তী পৰ্যায়ত এই সমস্যাসমূহ আঁতৰ কৰাৰ অন্তত আজি এই অভিযান আৰম্ভ কৰা হৈছে। AXIOM SPACE-ৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ অধীনত আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ এয়া হৈছে চতুৰ্থটো ব্যক্তিগত অভিযান। এই অভিযানৰ জৰিয়তে বাণিজ্যিক মহাকাশ অভিযান তথা মিত্ৰতাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় মনোযোগ বৃদ্ধি হোৱাটো প্ৰতিফলিত হৈছে।

ooooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি চীনৰ কিংডাঅ'ত অনুষ্ঠিত ছাংহাই সহযোগিতা সংস্থাৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত ভাগ ল'বলগীয়া উচ্চ পৰ্যায়ৰ ভাৰতীয় প্ৰতিনিধি দলটোক নেতৃত্ব দিব। এই দুদিনীয়া বৈঠকত ছাংহাই সহযোগিতা সংস্থাৰ সদস্য ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় সুৰক্ষা, সন্ত্ৰাসবাদ প্ৰতিহত কৰাৰ প্ৰচেষ্টা আৰু প্ৰতিৰক্ষা মন্ত্ৰালয়সমূহৰ মাজত সহযোগিতা বৃদ্ধিকে ধৰি ভালেমান গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰাৰ আশা কৰা হৈছে। শ্ৰীসিঙে বৈঠকত ছাংহাই সহযোগিতা সংস্থাৰ সিদ্ধান্ত আৰু আদেশসমূহৰ প্ৰতি ভাৰতৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতাত গুৰুত্ব দিয়াৰ সম্ভাৱনা আছে। তেওঁ লগতে আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষাৰ প্ৰচাৰৰ ক্ষেত্ৰত ভাৰতৰ দৃষ্টিভংগীৰ বিষয়ে উল্লেখ কৰি সন্ত্ৰাসবাদ আৰু উগ্ৰবাদ নিৰ্মূলৰ বাবে যুটীয়া আৰু নিৰন্তৰ প্ৰচেষ্টাৰ বাবে আহ্বান জনাব। এই বৈঠকৰ সুযোগতে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে চীন আৰু ৰাছিয়াকে ধৰি কেইবাখনো দেশৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

২০০১ চনত গঠন হোৱা ছাংহাই সহযোগিতা সংস্থা হৈছে এটা আন্তঃচৰকাৰী সংস্থা। ২০১৭ চনত ভাৰত ইয়াৰ পূৰ্ণাংগ সদস্য হিচাপে অন্তৰ্ভুক্ত হৈছিল। সম্প্ৰতি এই সংস্থাত কাজাখস্তান, চীন, কিৰ্গিস্তান, পাকিস্তান, ৰাছিয়া, তাজিকিস্তান, উজবেকিস্তান, ইৰান, বেলাৰুছ আৰু ভাৰত সদস্য ৰাষ্ট্ৰ হিচাপে আছে।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰানৰ পাৰমাণৱিক সুবিধা ধবংস হোৱা নাই বুলি একাংশ সংবাদ মাধ্যমে প্ৰকাশ কৰা বাতৰি খণ্ডন কৰিছে। আমেৰিকাৰ দুটা সংবাদ গোষ্ঠীয়ে অলপতে জাৰি কৰা গোপন প্ৰতিবেদনত আমেৰিকাই বিমানেৰে অলপতে চলোৱা আক্ৰমণত ইৰানৰ পৰমাণু কাৰ্যসূচী সম্পূৰ্ণৰূপে নষ্ট হোৱা বুলি ট্ৰাম্প প্ৰশাসনে কৰা দাবীক লৈ সন্দেহ প্ৰকাশ কৰা হৈছে। ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে আজি সামাজিক মাধ্যমযোগে দুয়োটা সংবাদগোষ্ঠীক সমালোচনা কৰি চি এন এন আৰু নিউয়ৰ্ক টাইম্‌ছে ইতিহাসত সবাতোকৈ সফল সামৰিক আক্ৰমণক হেয় প্ৰতিপন্ন কৰাৰ বাবে একগোট হোৱা বুলি অভিযোগ কৰে। তেওঁ কয়, যে ইৰানৰ পাৰমাণৱিকস্থলীসমূহ সম্পূৰ্ণৰূপে ধবংস হৈছে।

০০০০০০০০০

অপাৰেচন সিন্ধুৰ অংশ হিচাপে বৰ্তমানলৈকে ইজৰাইলৰ পৰা ৮১৮ গৰাকী ভাৰতীয় নাগৰিক স্বদেশলৈ উভতি আহিছে। কেন্দ্ৰীয় শ্ৰম, নিয়োগ আৰু অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ ৰাজ্য মন্ত্ৰী শোভা কাৰাণ্ডলাজেই আজি পুৱা বায়ুসেনা বাহিনীৰ বিমানেৰে ইজৰাইলৰ পৰা স্বদেশলৈ উভতি অহা ২২৪ গৰাকী ভাৰতীয় নাগৰিকক আদৰণি জনায়। চৰকাৰৰ বাবে ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষা আৰু নিৰাপত্তা অগ্ৰাধিকাৰৰ বিষয় বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০০০০০

চলিত বৰ্ষৰ কৈলাস মানসৰোবৰ যাত্ৰাৰ দ্বিতীয়টো দলে আজি পুৱা ৮ বাজি ২০ মিনিটৰ পৰা ৮ বাজি ৪৫ মিনিটৰ ভিতৰত নাথুলা সীমান্ত সফলতাৰে অতিক্ৰম কৰে। এই দলটোত মুঠ ৪৭ গৰাকী যাত্ৰী আছিল। দলটোৰ সকলো যাত্ৰীক পৰৱৰ্তী দিব্য যাত্ৰালৈ ৰাওনা হোৱাৰ সময়ত আধ্যাত্মিকভাৱে উৎসাহী দেখা গৈছে। যাত্ৰীসকলে গেংটক আৰু পৰিস্থিতিক অনুকুলন কেন্দ্ৰত থকা সময়ছোৱাত আগবঢ়োৱা আতিথ্য আৰু যত্নৰ বাবে এছ টি ডি চিৰ বিভিন্ন বিভাগ আৰু ছিকিম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছে।

০০০০০০০০০

ডেৰাডুনৰ বন গৱেষণা প্ৰতিষ্ঠানৰ এটা দলে বিহাৰৰ বুদ্ধগয়াৰ মহাবোধি মন্দিৰ চৌহদত থকা পৱিত্ৰ মহাবোধিবৃক্ষৰ স্থিতিৰ পৰীক্ষা কৰিছে। ড° চণ্টন ভৰথৱাল আৰু ড° শৈলেস পাণ্ডেই এই নিয়মীয়া পৰীক্ষা সম্পন্ন কৰিছে। বিকানিৰ দলটোৱে বোধিবৃক্ষৰ মূল কাণ্ডৰ পৰীক্ষা কৰি গছডাল ভাল স্থিতিত আছে বুলি প্ৰকাশ কৰিছে।

০০০০০০০০০

**সমাপ্ত**